REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-06-2023
Time : 1845 Hrs.

**ASSAMESE EVENING BULLETIN**

**<u>Headlines (08-06-2023, EVEN.)</u>**

১। ৰাজ্যত ২ অক্টোবৰত ১ কোটি গছ পুলি ৰোপনৰ সিদ্ধান্ত। ৰাজ্যৰ বনভূমি ৩৬ ৰ পৰা ৩৮ শতাংশলৈ বৃদ্ধি কৰাৰ বাবে অসম চৰকাৰৰ লক্ষ্য নিৰ্ধাৰণ।

২। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াৰ কাইলৈ এদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা ভ্ৰমণ।

৩। জবলপুৰত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত মধ্য প্ৰদেশৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গুৰুত্বপূৰ্ণ বৈঠক।

৪। গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ অংগনৱাড়ী কেন্দ্ৰ পুৱা চাৰে ৭ বজাৰ পৰা চাৰে ১০ বজালৈ মুকলি ৰখাৰ সিদ্ধান্ত।

*আৰু*

৫। প্ৰিণ্ট মেকিং কেটেগৰিত বৰপেটা ৰোডৰ প্ৰিয়ম তালুকদাৰৰ ললিতকলা একাডেমীৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ।

০০০০০০০

অসম চৰকাৰে ৰাজ্যখনৰ মুঠ ভৌগোলিক অঞ্চলৰ বনভূমি ৩৬ শতাংশৰ পৰা ৩৮ শতাংশলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা লৈছে। কামৰূপ জিলাৰ চানডুবিত আজি পৰিৱেশ আৰু বন বিভাগৰ উদ্যোগত অমৃত গছপুলি ৰোপণ কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন জনসভাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বন ভূমিৰ সংৰক্ষণ কেৱল সামাজিক কাৰণতে নহয় বৰং ব্যক্তিগত অৰ্থনীতিৰ লগতে ৰাজ্যৰ অৰ্থনীতি তথা ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ বাবে বনভূমি ৰক্ষা কৰিব লাগিব। ৰাজ্যখনৰ প্ৰায় ২০ শতাংশ বনভূমি দখলকাৰীৰ কবলত আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, মানুহে বনাঞ্চল আৰু পাহাৰ ধ্বংস কৰি বাসস্থান নিৰ্মাণ কৰিছে। তদুপৰি পেট্ৰ'ল-ডিজেল আদিৰ অত্যাধিক ব্যৱহাৰ বা জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰৰ ফলত গোলকীয়া উষ্ণতা ভয়াৱহভাৱে বৃদ্ধি পাইছে। এনে পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱাৰ পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ চনৰ ১ নৱেম্বৰত গ্লাছগোত অনুষ্ঠিত চি অ' পি-২৬ শীৰ্ষ সন্মিলনত বিশ্ববাসীৰ সন্মুখত পৰিৱেশৰ বাবে জীৱনশৈলী শীৰ্ষক অভিযানৰ বাৰ্তা প্ৰচাৰ কৰে। ভাৰতে ২০৭০ চনৰ ভিতৰত কাৰ্বন নিৰ্গম শূন্য কৰাৰ লক্ষ্যৰে কাম কৰি গৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনৰ বনভূমি সংৰক্ষণ কৰা বাবে গ্ৰহণ কৰা পদক্ষেপৰ অধীনত বিগত দুটা বছৰত ৰাজ্য চৰকাৰে লামডিং সংৰক্ষিত বনাঞ্চল, পাভ সংৰক্ষিত বনাঞ্চল, বুঢ়া চাপৰি বন্য প্ৰাণী অভায়ৰণ্য, ওৰাং ৰাষ্ট্ৰীয় উদ্যান আদিত অভিযান চলাই ৬১ হাজাৰ ৩৭৫ বিঘা বনাঞ্চল দখলমুক্ত কৰা হৈছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

বন্যপ্ৰাণী সংৰক্ষণ আৰু বন্যপ্ৰাণীৰ প্ৰাকৃতিক বাসস্থানসমূহ সুৰক্ষিত কৰাৰ দিশত ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও তেওঁ কয়। এই উপলক্ষে পৰিৱেশ আৰু বন বিভাগে কামৰূপ জিলাৰ চানডুবিত এই গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি লগতে কয় যে অহা ২ অক্টোবৰত গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰে অসমত ১ কোটি গছ পুলি ৰোপন কৰিব। এই কাৰ্যসূচীত অংশ লোৱা প্ৰতিগৰাকী ব্যক্তিলৈ গছপুলি প্ৰতিপালনত সহায়ক হোৱাকৈ ১০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে।

***ভইছ....***

ইয়াৰ লগতে গছজোপা ৰোপণ কৰাৰ তিনি বছৰৰ পাছত প্ৰতিপালন কৰা ব্যক্তিগৰাকীয়ে কৃতজ্ঞতা হিচাপে ২০০ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। এই কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে সাংসদ, বিধায়ক আৰু শীৰ্ষ বিষয়াসকলে প্ৰায় ৫০০ তকৈও অধিক গছপুলি ৰোপণ কৰে। স্থানীয় প্ৰজাতিৰ গছ যেনে - শাল, শিলিখা, ভোমোৰা, আমলখি, কঁঠাল, এজাৰ, আদি গছ ৰোপণ কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াৰ লগতে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধক্ষ্য ডাঃ নোমল মমিনকে ধৰি কেইবাজনো মন্ত্ৰী, সাংসদ, বিধায়ক, ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা তথা পৰিষদৰ কাৰ্যবাহী সদস্যসকল, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু স্থানীয় ৰাইজকে ধৰি শিক্ষাৰ্থীসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানটোতে 'প্ৰাকৃতিক কৃষি দিশত এখোজ' শীৰ্ষক এখন সহায়ক পুথি আৰু এখন পুস্তিকাও উন্মোচন কৰে।

০০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই কাইলৈ ডিব্ৰুগড় জিলা ভ্ৰমণ কৰিব। মোহনবাৰী বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতে ৰাজ্যপালগৰাকীয়ে বিমান বন্দৰত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, উপায়ুক্ত আৰু অন্যান্য শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। ৰাজ্যপাল কাটাৰিয়াই ৰাজ্যপাল কাটাৰিয়াই শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ লগতে খনিকৰত নৱনিৰ্মিত ক্ৰীড়া চৌহদো পৰিদৰ্শন কৰি ধেমাজিলৈ ৰাওনা হ'ব।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভূপালৰ ৰাজভৱনত মধ্য প্ৰদেশৰ ৰাজ্যপাল মংগু ভাই পেটেলক সাক্ষাৎ কৰে। ৰাজ্যপালগৰাকীৰ সৈতে এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এখন সুস্থ সবল ভাৰতৰ দৃষ্টিভংগী সাৰোগত কৰি কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে আলোচনা কৰে। দেশৰ সকলো প্ৰান্তৰ লগতে মধ্য প্ৰদেশৰ জনসাধাৰণৰ মাজতো যোগক জনপ্ৰিয় কৰাৰ উপায়ৰ বিষয়েও দুয়োগৰাকী নেতাই চৰ্চা কৰে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই এই বৈঠকত ২১ জুনত জবলপুৰত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানৰ প্ৰস্তুতিৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। ইয়াৰ লগতে আয়ুষ ঔষধ প্ৰণালী শ্ৰীবৃদ্ধিৰে ৰাজ্যখনৰ স্বাস্থ্যসেৱাক অধিক শক্তিশালী কৰাৰ বিষয়েও দুয়োগৰাকী নেতাই মত বিনিময় কৰে। আনহাতে, শিৱৰাজ সিং চৌহান আৰু সৰ্বানন্দ সোণোৱালে গছপুলি ৰোপণ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে অহা ২১ জুনত যোগ দিৱসৰ দিনা কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ সহযোগত যোগৰ এটা মহা সাগৰীয় ৰিং সৃষ্টি কৰা হ'ব আৰু বহু বন্দৰত যোগ প্ৰদৰ্শন কৰা হ'ব। আই এন

এছ্ বিক্ৰান্ত আৰু আই এন এছ্ বিক্ৰমাদিত্যৰ ফ্লাইট ডেকসমূহো যোগ প্ৰদৰ্শনৰ অংশীদাৰ হ'ব। আৰ্কটিকৰ ভাৰতীয় গৱেষণাস্থলী হিমাদ্ৰী আৰু এণ্টাৰ্কাটিকাস্থিত ভাৰতীয় তৃতীয় গৱেষণাস্থলী ভাৰতীতো যোগ প্ৰদৰ্শন কৰা হ'ব। এইবাৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচী ভাৰতমালাত ভাৰতীয় সেনা, ভাৰতীয় বায়ু সেনা, উপকূলৰক্ষী বাহিনী আৰু সীমান্ত পথ সংস্থাইও অংশগ্ৰহণ কৰিব। তদুপৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু আয়ুষ - এই দুয়োটা মন্ত্ৰালয়ৰ দেৰ লাখতকৈও অধিক স্বাস্থ্য আৰু সুস্থতা কেন্দ্ৰৰ লগতে সকলো অমৃত সৰোবৰত যোগ প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰে দেশৰ দশম সৰ্বাধিক ব্যস্ত বিমানবন্দৰ হিচাপে স্বীকৃতি লাভ কৰাটোৱে বিমানবন্দৰটোৰ অধিক সম্ভাৱনা থকাৰ কথাটোকে প্ৰতিফলিত কৰে বুলি পৰ্যটনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰিছে। আজি বৰঝাৰ বিমানবন্দৰত উত্তৰ-পূব ভাৰতৰ পৰ্যটন উদ্যোগ গঢ়ি তোলাৰ প্ৰক্ৰিয়াত বিমানবন্দৰৰ ভূমিকা শীৰ্ষক দিনজোৰা আলোচনাৰ অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, বিমান পৰিবহনে বিভিন্ন স্থানৰ লোকৰ সাংস্কৃতিক আদান-প্ৰদানত সহায় কৰাৰ লগতে পৰ্যটন উদ্যোগৰ উন্নয়নৰ ক্ষেত্ৰত অৰিহণা যোগায়। অনাগত দিনত বিমানবন্দৰটোক অত্যাধুনিক ৰূপ প্ৰদান কৰি আঞ্চলিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে গুৱাহাটী বিমানবন্দৰৰ সৈতে অবিৰত আৰু পোনপটীয়া বহিঃৰাজ্যৰ সংযোগ বিকশিত কৰিবলৈ বিচাৰে। ইয়াৰ দ্বাৰা অনাগত দিনত ৰাজ্যৰ পৰ্যটন উদ্যোগৰ বিকাশ নিশ্চিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

কাৰ্বি আংলং জিলা প্ৰশাসনে জিলাখনত 'বাল্য বিবাহ আৰু শিশু অধিকাৰ' শীৰ্ষক এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। এই অনুসৰি জিলাখনৰ ১০টা স্থানত সমল ব্যক্তিসকলে বাল্য বিবাহ আৰু শিশু অধিকাৰ সম্পৰ্কে জনসাধাৰণক সজাগতা প্ৰদান কৰিব। প্ৰশাসনৰ এটা নিৰ্দেশনা মতে কাইলৈ আংজকপানী বালিজুৰি কমিউনিটি হলত, ১০ জুনত চকীহলা ইংলিছ এল পি স্কুলত, ১১ জুনত ডিলাই বজাৰত বাল্য বিবাহ আৰু শিশু অধিকাৰ সুৰক্ষা বিষয়ক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ সমান্তৰালভাৱে শিশু শ্ৰমিক বিৰোধী ৰাজ্যিক কাৰ্যকৰী মাহৰ অংশ হিচাপে কাৰ্বিআংলং জিলা প্ৰশাসনৰ শিশু শ্ৰমিক বিভাগৰ উদ্যোগত ১৮ জুনত ডকমকা আৰু বকলীয়া নগৰ বজাৰ এলেকাত সজাগতা অভিযান তথা উদ্ধাৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০০০

বৰপেটা জিলাত সমাগত বানৰ লগতে অন্যান্য দুৰ্যোগৰ সময়ত ল'বলগীয়া সতৰ্কতামূলক ব্যৱস্থাৰ বিষয়ে জনসাধাৰণক সজাগ কৰিবলৈ আজি ৱাৰ্ড পৰ্যায়ৰ এখন প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ উদ্যোগত আয়োজিত এই তিনিদিনীয়া কৰ্মশালাত এজন ব্যক্তিয়ে বানৰ সময়ত নিজৰ লগতে আনৰ সহায়ৰ বাবে কিদৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে এই সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে এইবাৰ বৰপেটা জিলাত দুৰ্যোগ ব্যৱস্থাপনা বিষয়টো তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ চেষ্টা কৰা হৈছে। ইয়াৰ বাবে জিলাখনৰ পৌৰ সভাসমূহৰ অন্তৰ্গত ৱাৰ্ডবোৰতো একোখনকৈ দুৰ্যোগ ব্যৱস্থাপনা সমিতি গঠন কৰা হৈছে। এই প্ৰশিক্ষণৰ পাছত ৱাৰ্ড সদস্যসকলে সংশ্লিষ্ট ৱাৰ্ডৰ বাসিন্দাসকলকো প্ৰশিক্ষণ প্ৰদান কৰিব।

০০০০০০০০

ৰাজ্যখনত বিগত কিছুদিন ধৰি হৈ থকা গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ অংগনবাড়ী কেন্দ্ৰসমূহৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। শিশুসকলৰ স্বাস্থ্য সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই কেন্দ্ৰসমূহ পুৱা চাৰে সাত বজাৰ পৰা চাৰে দহ বজালৈ শিশুসকলৰ বাবে মুকলি ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। আনহাতে শিশুসকলক খেল-ধেমালি নাইবা পুৱাৰ প্ৰাৰ্থনা কেন্দ্ৰটোৰ ভিতৰ ভাগত কৰোবলৈ নিৰ্দেশ দিয়া হৈছে। এই নিৰ্দেশ শীঘ্ৰেই বলবত হোৱাৰ লগতে পৰৱৰ্তী আদেশ নোপোৱা পৰ্যন্ত বলবৎ থাকিব বুলি ৰাজ্যৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ প্ৰধান সচিবে প্ৰদাশ কৰিছে।

OOOOOOOO

বৰপেটা জিলাৰ বি এইচ কলেজৰ প্ৰাক্তন ছাত্ৰ প্ৰিয়ম তালুকদাৰে ললিত কলা একাডেমী ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। Domination For Self Satisfaction Since 1449 AD Print Making শাখাত শিল্পীগৰাকীয়ে এই পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। পুৰস্কাৰ হিচাপে শিল্পীগৰাকীয়ে একাডেমীৰ তৰফৰ পৰা ২ লাখ টকা, তাম্ৰফলক আৰু অংগবস্ত্ৰ লাভ কৰিব বুলি প্ৰকাশ কৰা হৈছে।

OOOOOOO

ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি চলিত বিত্তীয় বৰ্ষৰ বাবে দ্বিতীয়টো দ্বিমাসিক মুদ্ৰা নীতি ঘোষণা কৰিছে। আৰ বি আয়ে ঘাই ঘাই সুদৰ হাৰসমূহ অপৰিৱৰ্তিত আছে।

মুদ্ৰা নীতি সমীক্ষাৰ কথা ঘোষণা কৰি আৰ বি আইৰ গৱৰ্নৰ শক্তিকান্ত দাসে কয় যে, মুদ্ৰা নীতি কমিটীয়ে ৰেপ'ৰেট অৰ্থাৎ আৰ বি আয়ে বেংকসমূহক প্ৰদান কৰা সুদৰ হাৰ ৫ দশমিক ৬ শতাংশ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে, উপভোক্তা মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতিৰ হাৰ মাৰ্চ-এপ্ৰিল মাহত হ্ৰাস পাইছে। চলিত বিত্তীয় বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৪ শতাংশৰ অধিক  হৈ থকাৰ সম্ভাৱনা আছে বুলি তেওঁ প্ৰকাশ কৰে। আৰ বি আইৰ গৱৰ্নৰগৰাকীয়ে কয় যে, সকলো কাৰকৰ মূল্যায়ন আৰু বাৰিষা কালৰ স্বাভাৱিক বৰষুণৰ সম্ভাৱনালৈ চাই ২০২৩-২৪ বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৫ দশমিক ১ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে।

দুহেজাৰ টকীয়া নোট প্ৰত্যাহাৰৰ কথা উল্লেখ কৰি শ্ৰী দাসে কয় যে, নোট প্ৰত্যাহাৰৰ সিদ্ধান্ত ৩ সপ্তাহৰ পাছত দুহেজাৰ টকীয়া নোটৰ প্ৰচলন হ্ৰাস পাইছে আৰু চৰকাৰৰ খৰচ বৃদ্ধিৰ ফলত নগদ ধনৰ প্ৰৱাহো বৃদ্ধি পাইছে।

OOOOOOO

চতুৰ্থ G20-ৰ শিক্ষাকৰ্মী গোটৰ বৈঠক অহা ১৯ জুনৰ পৰা মহাৰাষ্ট্ৰৰ পুনেত অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যৰ বিদ্যালয় আৰু জিলা পৰ্যায়ত ১ জুনৰ পৰা ১৫ জুনলৈ বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মৰিগাঁও জিলাত সমদল, আবৃত্তি, কাহিনী কোৱা প্ৰতিযোগিতা, কুইজ আৰু শিশুৰ সাংখ্যিক আৰু সাক্ষৰতা আহৰণত পিতৃ-মাতৃৰ ভূমিকা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ জৰিয়তে অভিভাৱক, বিদ্যালয় কৰ্তৃপক্ষ, কৰ্মীগোট, বিদ্যালয়সমূহে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত বিদ্যালয় পৰ্যায়ত প্ৰাথমিক শিক্ষা, মাতৃভাষাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা বিদ্যালয় পৰ্যায়লৈ ৰাজহুৱা অংশগ্ৰহণ কাৰ্যসূচীৰ জৰিয়তে সাক্ষৰতা আৰু সংখ্যাৰ ভিন্নতাৰ ওপত সজাগতা বৃদ্ধিৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

OOOOOO

গোৱালপাৰা জিলাৰ বাদুংদুপ্পা কলাকেন্দ্ৰৰ প্ৰতিষ্ঠাতা বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য ৰাভাৰ পঞ্চম স্মৃতিচাৰণ দিৱস আজি ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰত অনুষ্ঠিত হয়। নাট্যকৰ্মীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাপ্ৰণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ফাৰকান্তি অৰ্থাৎ ৰাভা লোক পৰম্পৰাগত শ্ৰদ্ধাঞ্জলি ৰীতি পালন কৰা হয়। বিয়লি চাৰে চাৰি বজাত মাদাইয়া মুছি শীৰ্ষক ৰাভা ভাষাৰ নাট পৰিৱেশন কৰি প্ৰয়াত ৰাভাৰ প্ৰতি শ্ৰদ্ধাঞ্চলি জ্ঞাপন কৰা হয়। সন্ধিয়া ৬ বজাত সামৰণি অনুষ্ঠান গোৱালপাৰা জিলাৰ উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে উদ্বোধন কৰে।

০০০০০০

দেশৰ অন্যান্য অঞ্চলৰ লগতে বাক্সা জিলাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত জ্ঞানপীঠ স্নাতক মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ যুৱ মহোৎসৱ-২০২৩ অনুষ্ঠিত হয়। জিলা প্ৰশাসনে আয়োজন কৰা এই মহোৎসৱত ১০ খন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। সীমান্ত অঞ্চলৰ শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি আয়োজিত এই মহোৎৱসত চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা লিখা প্ৰতিযোগিতা, ম'বাইল ফটোগ্ৰাফী প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাসমূহত বিজয়ী শিক্ষাৰ্থীসকলে জিলা পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। লগতে ৰাজ্যৰ পৰা জয়ী হোৱা প্ৰতিযোগীসকলে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব।

০০০০০০

কাৰ্বি জনগোষ্ঠীৰ কৃষি সম্পৰ্কীয় উৎসৱ ৰেকপি ৰংকেৰ পশ্চিম কাৰ্বি আংলঙৰ খেৰনিৰ কপিলী নৈৰ পাৰত উদযাপন কৰা হৈছে। এই উৎসৱত জনগোষ্ঠীটোৱে ধন-ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী লক্ষ্মী দেৱীৰ আৰধনা কৰি কঠিয়া আগবঢ়ায়। পূজাৰ শেষত কৃষি কাৰ্য সম্পাদন কৰাৰ বাবে কৃষকসকলৰ মাজত এই কঠিয়া পৰম্পৰাগতভাৱে বিতৰণ কৰা হয়। খেতিয়কসকলে সেই কঠিয়া আন কঠিয়াৰ লগত মিহলাই খেতি কৰিলে উৎপাদন ভাল হয় বুলি বিশ্বাস প্ৰচলিত আছে।

০০০০০০

অ'ভেলত চলি থকা বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত আঠাইকেইটা উইকেট হেৰুৱাই ৪৬৯ ৰাণ সংগ্ৰহ কৰিছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতৰ হৈ মহম্মদ চিৰাজে ৪ টা, মহম্মদ ছামী আৰু চাৰ্দুল ঠাকুৰে ২ টাকৈ আৰু ৰবিন্দ্ৰ জাদেজাই এটা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াৰ হৈ ষ্টীভ স্মীথ আৰু ট্ৰেভিজ হেদে ক্ৰমে ১২১ আৰু ১৬৩ ৰাণৰ বৰঙণি আগবঢ়ায়। ০০০০

০০০০০০০

সত্ৰীয়া সংস্কৃতিৰ সাধক তথা মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰী বিহিমপুৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ মোহন চন্দ্ৰ মহন্তৰ আজি দেহাৱসান ঘটে। প্ৰয়াত মোহন চন্দ্ৰ মহন্ত দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ। অৱসৰপ্ৰাপ্ত শিক্ষক মোহন চন্দ্ৰ মহন্ত এগৰাকী বলিষ্ঠ অভিনেতাও আছিল। সত্ৰীয়া সংস্কৃতি প্ৰচাৰৰ বাবে তেওঁ গোবিন্দ দেৱ কৃষ্টি সংঘৰ প্ৰতিস্থা কৰাৰ লগতে যুৱসকলক একত্ৰিত কৰি আগুৱাই নিয়াৰ উদ্দেশ্যেৰে বিহিমপুৰ যুৱ সংঘৰো প্ৰতিস্থা কৰিছিল।

০০০০০০০

সমাপ্ত